09-04-2026 প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**“মৰমৰ সন্তানসকল – তোমালোকে এতিয়া সত্য পিতাৰ দ্বাৰা সত্য কথা শুনি আলোকত আহিছা গতিকে তোমালোকৰ কৰ্তব্য হ’ল সকলোকে অন্ধকাৰৰ পৰা উলিয়াই আলোকত অনা”**

প্ৰশ্ন: যেতিয়া তোমালোক সন্তানসকলে কাৰোবাক জ্ঞান শুনোৱা তেতিয়া কোনটো কথা নিশ্চয় স্মৃতিত ৰাখিবা?

উত্তৰ: মুখেৰে বাৰে বাৰে ‘বাবা’ ‘বাবা’ বুলি কৈ থাকা, ইয়াৰ দ্বাৰা ‘মোৰ’ বোধ সমাপ্ত হৈ যাব। উত্তৰাধিকাৰো স্মৃতিত থাকিব। ‘বাবা’ বুলি ক’লে সৰ্বব্যাপীৰ জ্ঞান প্ৰথমতেই সমাপ্ত হৈ যায়। যদি কোনোবাই কয় ভগৱান সৰ্বব্যাপী তেন্তে কোৱা পিতা সকলোৰে ভিতৰত কেনেকৈ থাকিব পাৰে!

গীত: আজ অন্ধেৰে মে হে ইন্চান... (আজি মনুষ্য অন্ধকাৰত...)

ওঁম্ শান্তি। সন্তানসকলে কি ক’লে আৰু কাক আহ্বান জনালে? হে জ্ঞানৰ সাগৰ অথবা হে জ্ঞান সূৰ্য বাবা... ভগৱানক বাবা বুলি কোৱা হয় নহয়। ভগৱান পিতা হয়, গতিকে তোমালোক সকলো সন্তান হোৱা। সন্তানসকলে কয় – আমি অন্ধকাৰত আহি গ’লোঁ। আপুনি আমাক আলোকলৈ লৈ যাওক। বাবা বুলি ক’লে সিদ্ধ হয় যে পিতাক আহ্বান জনায়। বাবা বুলি ক’লে স্নেহ জাগি উঠে কিয়নো পিতাৰ পৰা উত্তৰাধিকাৰ লোৱা হয়। কেৱল ঈশ্বৰ বা প্ৰভু বুলি ক’লে পিতাৰ উত্তৰাধিকাৰৰ মাধুৰ্য আহি নাযায়। বাবা বুলি ক’লে উত্তৰাধিকাৰ স্মৃতিত আহি যায়। তোমোলোকে কাকূতি কৰা – বাবা আমি অন্ধকাৰত আহি গ’লোঁ, আপুনি এতিয়া পুনৰ জ্ঞানেৰে আমাৰ দীপক জ্বলাওক কিয়নো আত্মাসকলৰ দীপক নুমাই গৈছে। মনুষ্য মৰিলে তেতিয়া 12 দিন দীপক জ্বলায়। এজন ঘিউ ঢালিবলৈ বহি থাকে যাতে দীপক নুমাই নাযায়।

পিতাই বুজায় – তোমোলোক ভাৰতবাসী আলোকত অৰ্থাৎ দিনত আছিলা। এতিয়া ৰাত্ৰিত আছা। 12 ঘন্টা দিন, 12 ঘন্টা ৰাতি। সেয়া হ’ল হদৰ কথা। এয়াতো বেহদৰ দিন আৰু বেহদৰ ৰাতি, যাক কোৱা হয় ব্ৰহ্মাৰ দিন – সত্যযুগ ত্ৰেতা, ব্ৰহ্মাৰ ৰাতি – দ্বাপৰ কলিযুগ। ৰাতি অন্ধকাৰ হয়। মনুষ্যই উজুটি খাই থাকে। ভগৱানক বিচাৰিবলৈ চাৰিওফালে পৰিক্ৰমা লগায়, কিন্তু পৰমাত্মাক পাব নোৱাৰে। পৰমাত্মাক পাবলৈয়ে ভক্তি কৰে। দ্বাপৰৰ পৰা ভক্তি আৰম্ভ হয় অৰ্থাৎ ৰাৱণৰাজ্য আৰম্ভ হয়। দশহৰাৰো এটা কাহিনী ৰচিছে। কাহিনী সদায় মনোমোহাকৈ ৰচে, যেনেকৈ চিনেমা, নাটক আদি ৰচে। শ্ৰীমদ্ভাগৱত গীতাহে হৈছে সত্য। পৰমাত্মাই সন্তানসকলক ৰাজযোগ শিকালে, বাদশ্বাহী দিলে। আকৌ ভক্তিমাৰ্গত বহি কাহিনী ৰচে। ব্যাসে গীতা ৰচিলে অৰ্থাৎ কাহিনী ৰচিলে। সঁচা কথাতো পিতাৰ দ্বাৰা তোমালোকে এতিয়া শুনি আছা। সদায় ‘বাবা বাবা’ বুলি কোৱা উচিত। পৰমাত্মা আমাৰ পিতা, নতুন সৃষ্টিৰ ৰচয়িতা। তেন্তে নিশ্চয় তেওঁৰ পৰা আমি স্বৰ্গৰ উত্তৰাধিকাৰ পোৱা উচিত। এতিয়াতো 84 জন্ম ভোগ কৰি আমি নৰকত আহি গ’লোঁ। পিতাই বুজায় – সন্তানসকল, তোমালোক ভাৰতবাসী সূৰ্যবংশী, চন্দ্ৰবংশী আছিলা, বিশ্বৰ মালিক আছিলা, আন কোনো ধৰ্ম নাছিল, তাক স্বৰ্গ অথবা কৃষ্ণপুৰী বুলি কোৱা হয়। ইয়াত হ’ল কংসপুৰী। বাপদাদাই সোঁৱৰাই দিয়ে, লক্ষ্মী-নাৰায়ণৰ ৰাজ্য আছিল। পিতাহে জ্ঞানৰ সাগৰ, শান্তিৰ সাগৰ, পতিত-পাৱন, পানীৰ গংগা নহয়। সকলো কইনাৰ এজনে ভগৱান দৰা– এয়া মনুষ্যই নাজানে, সেইবাবে সোধা হয়, আত্মাৰ পিতা কোন? তেতিয়া বিবুদ্ধিত পৰে। কয় – আমি নাজানোঁ। হেৰ’ আত্মাসকল, তোমালোকে নিজৰ পিতাক নাজানা? ঈশ্বৰ পিতা বুলি কয়, আকৌ যদি সোধা হয় – তেওঁৰ ৰূপ কি? ঈশ্বৰক চিনি পোৱানে? তেতিয়া সৰ্বব্যাপী বুলি কৈ দিয়ে। হেৰ’ সন্তানসকলৰ পিতা কেতিয়াবা সৰ্বব্যাপী হয় জানো? ৰাৱণৰ আসুৰিক মতত কিমান অবুজ হৈ যায়। দেহ-অভিমান হৈছে এক নম্বৰ। নিজক আত্মা বুলি পতিয়ন নাযায়। কৈ দিয়ে যে মই অমুক। এয়াতো হৈ গ’ল শৰীৰৰ কথা। আচলতে নিজে কোন– এইটো নাজানে। মই বিচাৰক, মই এয়া... ‘মই’ ‘মই’ বুলি কৈ থাকে, কিন্তু এইটো ভুল। ‘মই’ আৰু ‘মোৰ’ এয়া দুটা বস্তু। আত্মা অবিনাশী, শৰীৰ বিনাশী। নাম শৰীৰৰ ৰখা হয়। আত্মাৰ কোনো নাম ৰখা নহয়। পিতাই কয় – মোৰ নাম শিৱই হয়। শিৱ জয়ন্তীও পালন কৰে। এতিয়া নিৰাকাৰৰ জয়ন্তী কেনেকৈ হ’ব পাৰে? তেওঁ কাৰ শৰীৰত আহে, এয়া কোনেও গম নাপায়। সকলো আত্মাৰ নাম আত্মাই হয়। পৰমাত্মাৰ নাম হ’ল শিৱ। বাকী সকলো হ’ল শালগ্ৰাম। আত্মাসকল হৈছে সন্তান। এজন শিৱ সকলো আত্মাৰ পিতা। তেওঁ হ’ল বেহদৰ পিতা। তেওঁক সকলোৱে কাকূতি কৰে যে আহি আমাক পাৱন কৰি তোলক। আমি দুখী। আত্মাই কাকূতি কৰে, দুখত সকলো সন্তানে স্মৰণ কৰে আকৌ এইসকল সন্তানেই সুখত থাকিলে তেতিয়া কোনেও

স্মৰণ নকৰে। ৰাৱণে দুখী কৰিছে।

পিতাই বুজায় – এই ৰাৱণ তোমালোকৰ পুৰণা শত্রু। এয়াও ড্ৰামাৰ খেল ৰচি থোৱা আছে। তেন্তে এতিয়া সকলো অন্ধকাৰত আছে সেইবাবে কাকূতি কৰে – হে জ্ঞান সূৰ্য আহক, আমাক আলোকত লৈ যাওক। ভাৰত সুখধাম আছিল তেতিয়া কোনেও কাকূতি কৰা নাছিল। কোনো অপ্ৰাপ্ত বস্তু নাছিল। ইয়াততো চিঞৰি থাকে, হে শান্তি দাতা। পিতাই আহি বুজায় – শান্তিতো তোমালোকৰ স্বধৰ্ম। ডিঙিৰ হাৰ। আত্মা শান্তিধামৰ নিবাসী। শান্তিধামৰ পৰা পুনৰ সুখধামলৈ যায়। তাততো সুখেই সুখ। তোমালোকে চিঞৰিবলগীয়া নহয়। দুখতহে চিঞৰে - দয়া কৰক, দুখ হৰ্তা, সুখ কৰ্তা বাবা আহক। শিৱবাবা, মৰমৰ বাবা পুনৰাই আহক। আহে নিশ্চয়, সেইবাবেতো শিৱজয়ন্তী পালন কৰে। শ্ৰীকৃষ্ণ হ'ল স্বৰ্গৰ ৰাজকুমাৰ। তেওঁৰো জয়ন্তী পালন কৰে। কিন্তু শ্ৰীকৃষ্ণ কেতিয়া আহিল, এয়া কোনেও নাজানে। ৰাধা-কৃষ্ণই সয়ম্বৰৰ পাছত লক্ষ্মী-নাৰায়ণ হয়। এয়া কোনেও নাজানে। মনুষ্যই কাকূতি কৰে – হে ঈশ্বৰ পিতা... বাৰু তেওঁৰ নাম-ৰূপ কি তেতিয়া কৈ দিয়ে নাম-ৰূপৰ পৰা উপৰাম। হেৰ' তোমালোকে ঈশ্বৰ পিতা বুলি কোৱা আকৌ নাম-ৰূপৰ পৰা উপৰাম বুলি কৈ দিয়া। আকাশ শূন্য, তাৰো নাম আছে আকাশ। তোমালোকে কোৱা আমি পিতাৰ নাম-ৰূপ আদি নাজানোঁ, বাৰু নিজক জানানে? হয়, আমি আত্মা। বাৰু আত্মাৰ নাম-ৰূপৰ বিষয়ে কোৱা। তেতিয়া কৈ দিয়ে আত্মাই পৰমাত্মা। আত্মা নাম-ৰূপৰ পৰা উৰ্দ্ধততো হ'ব নোৱাৰে। আত্মা এটা বিন্দু তৰা সদৃশ। ভ্ৰূকুটিৰ মাজত থাকে। যি সূক্ষ্ম আত্মাত 84 জন্মৰ ভূমিকা নিহিত হৈ আছে। এয়া অতিকৈ বুজিবলগীয়া কথা সেইবাবে 7 দিনৰ ভাতীৰ গায়ন কৰা হৈছে। দ্বাপৰৰ পৰা ৰাৱণৰাজ্য আৰম্ভ হয় তেতিয়াৰ পৰা বিকাৰৰ প্ৰৱেশ হয়। ছিৰি অৱৰোহণ কৰি আহিছা। এতিয়া সকলোৰে গ্ৰহণ লাগিছে, ক'লা হৈ গৈছে সেইবাবে কাকূতি কৰে – হে জ্ঞান সূৰ্য আহক। আহি আমাক আলোকলৈ লৈ যওক। জ্ঞানৰূপী কাজল সৎগুৰুৱে লগালে, অজ্ঞান অন্ধকাৰ বিনাশ হ'ল... বুদ্ধিত পিতা আহি যায়। এনেকুৱা নহয় জ্ঞানৰূপী কাজল গুৰুৱে লগালে... গুৰুতো অনেক আছে, তেওঁলোকৰ ক'ত জ্ঞান আছে। তেওঁলোকৰ জানো গায়ন আছে। জ্ঞান-সাগৰ, পতিত-পাৱন, সকলোৰে সৎগতিদাতা একমাত্ৰ পিতাই হয়। আকৌ অন্য কোনোবাই জ্ঞান কেনেকৈ দিব পাৰে। সাধুসকলে কৈ দিয়ে – ভগৱানক লগ পোৱাৰ অনেক ৰাস্তা আছে। শাস্ত্ৰ পঢ়া, যজ্ঞ, তপস্যা আদি কৰা – এই সকলোবোৰ ভগৱানক লগ পোৱাৰ ৰাস্তা কিন্তু পতিত কেনেকৈ পাৱন জগতলৈ যাব পাৰে। পিতাই কয় – মই নিজেই আহোঁ। ভগৱানতো এজনেই, ব্ৰহ্মা-বিষ্ণু-শংকৰো দেৱতা, তেওঁলোকক ভগৱান বুলি নকয়। তেওঁলোকৰো পিতা হৈছে শিৱ। প্ৰজাপিতা ব্ৰহ্মাতো ইয়াতে থাকিব নহয়। প্ৰজা ইয়াত আছে। নামো লিখা আছে প্ৰজাপিতা ব্ৰহ্মাকুমাৰী প্ৰতিষ্ঠান। তেন্তে সন্তান হ'ল। অনেক ব্ৰহ্মাকুমাৰ-কুমাৰী আছে। উত্তৰাধিকাৰ শিৱৰ পৰা পোৱা যায়, ব্ৰহ্মাৰ পৰা নহয়। উত্তৰাধিকাৰ ককাৰ পৰা পোৱা যায়। তেওঁ বহি ব্ৰহ্মাৰ দ্বাৰা স্বৰ্গলৈ যোৱাৰ লায়ক কৰি তোলে। ব্ৰহ্মাৰ দ্বাৰা সন্তানসকলক তুলি লয়। সন্তানসকলেও কয় – বাবা আমি আপোনাৰে, আপোনাৰ পৰা উত্তৰাধিকাৰ লওঁ। ব্ৰহ্মাৰ দ্বাৰা বিষ্ণুপুৰী স্থাপন কৰা হয়। শিৱবাবাই ৰাজযোগ শিকায়। শ্ৰীমত অথবা শ্ৰেষ্ঠতকৈও শ্ৰেষ্ঠ হৈছে ভগৱানৰ গীতা। ভগৱান এজনেই নিৰাকাৰ। পিতাই বুজায় – তোমালোক সন্তানসকলে 84 জন্ম লৈছা। আত্মা পৰমাত্মা বিচ্ছিন্ন হৈ থাকিল বহুকাল... বহুকালৰ পৰা বিচ্ছিন্ন হৈতো ভাৰতবাসীয়ে আছিল। আন কোনো ধৰ্ম নাছিল। তেওঁলোকেই প্ৰথমতে বিচ্ছিন্ন হৈছে। পিতাৰ পৰা বিচ্ছিন্ন হৈ ইয়াত ভূমিকা পালন কৰিবলৈ আহে। পিতাই কয় – হে আত্মাসকল, এতিয়া মোক পিতাক স্মৰণ কৰা। এয়া হ'ল স্মৃতিৰ যাত্ৰা অথবা যোগ অগ্নি। তোমালোকৰ শিৰত যি পাপৰ বোজা আছে, সেয়া এই যোগ অগ্নিৰে ভস্ম হ'ব। হে মৰমৰ সন্তানসকল, তোমালোক স্বৰ্ণীম যুগৰ পৰা লৌহ যুগত আহি গ'লা। এতিয়া মোক স্মৰণ কৰা। এয়া বুদ্ধিৰ কাম নহয় জানো। দেহ সহিত দেহৰ সকলো সম্বন্ধ ত্যাগ কৰি মামেকম্ (কেৱল মোক পৰমপিতাক) স্মৰণ কৰা। তোমালোক আত্মা হোৱা নহয়। এয়া তোমালোকৰ শৰীৰ। 'মই', 'মই' এনেকৈ আত্মাই কয়। তোমালোকক ৰাৱণে পতিত কৰিলে। এয়া খেল ৰচি থোৱা আছে। পাৱন ভাৰত আৰু পতিত ভাৰত। যেতিয়া পতিত হয় তেতিয়া পিতাক কাকূতি কৰে। ৰামৰাজ্য লাগে। এনেকৈ কয়ো, কিন্তু অৰ্থ বুজি নাপায়। জ্ঞান দিওঁতা জ্ঞানৰ সাগৰতো এজন পিতাই হয়। পিতাহে আহি ছেকেণ্ডত উত্তৰাধিকাৰ দিয়ে। পিতাৰ পৰা সূৰ্যবংশী, চন্দ্ৰবংশীৰ উত্তৰাধিকাৰ ল'বলৈ এতিয়া তোমালোক পিতাৰ হৈছা। আকৌ সত্যযুগ, ত্ৰেতাত তোমালোক অমৰ হৈ যোৱা। তাত এনেকৈ নকয় যে অমুক মৰি গ'ল। সত্যযুগত অকাল মৃত্যু নহয়। তোমালোকে কালৰ ওপৰত বিজয় প্ৰাপ্ত কৰা। দুখৰ নাম নাথাকে। তাক কোৱা হয় সুখধাম। পিতাই কয় – মইতো তোমালোকক স্বৰ্গৰ বাদশ্বাহী দিওঁ। তাততো বহুত বৈভৱ আছে। ভক্তিমাৰ্গত মন্দিৰ নিৰ্মাণ কৰিলা, সেই সময়তো কিমান ধন আছিল। ভাৰত কি আছিল! বাকী আন সকলো আত্মা নিৰাকাৰী জগতত আছিল। সন্তানসকলে জানি গৈছে – উচ্চতকৈও উচ্চ বাবাই এতিয়া স্বৰ্গৰ স্থাপনা কৰি আছে। উচ্চতকৈও উচ্চ হৈছে শিৱবাবা, তাৰপাছত ব্ৰহ্মা-বিষ্ণু-শংকৰ সূক্ষ্মলোকবাসী। তাৰপাছত এইখন (সাকাৰ) জগত।

জ্ঞানৰ দ্বাৰাই তোমালোক সন্তানসকলৰ সৎগতি হয়। গায়নো কৰা হয় – জ্ঞান, ভক্তি আৰু বৈৰাগ্য। পুৰণি জগতৰ প্ৰতি বৈৰাগ্য জন্মে, কিয়নো সত্যযুগৰ বাদশ্বাহী পোৱা যায়। এতিয়া পিতাই কয় – সন্তানসকল, মামেকম্ স্মৰণ কৰা। মোক স্মৰণ কৰি তোমালোক মোৰ ওচৰলৈ আহি যাবা। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) শিৰত যি পাপৰ বোজা আছে সেয়া যোগ অগ্নিৰে ভস্ম কৰিব লাগে। বুদ্ধিৰে দেহ সহিত দেহৰ সকলো সম্বন্ধ ত্যাগ কৰি এজন পিতাক স্মৰণ কৰিব লাগে।

(2) মিনতি কৰা বা চিঞৰাৰ সলনি নিজৰ শান্ত স্বধৰ্মত স্থিৰ হৈ থাকিব লাগে, শান্তি হৈছে ডিঙিৰ মালা। দেহ-অভিমানত আহি ‘মই’ আৰু ‘মোৰ’ শব্দ উচ্চাৰণ কৰিব নালাগে, নিজক আত্মা বুলি নিশ্চয় কৰিব লাগে।

বৰদান:

নিজৰ সতোগুণী দৃষ্টিৰে অন্য আত্মাসকলৰ দৃষ্টি, বৃত্তি পৰিৱৰ্তন কৰোঁতা সাক্ষাৎকাৰ মূৰ্ত হোৱা

প্ৰবাদ আছে দৃষ্টিৰে সৃষ্টি পৰিৱৰ্তন হয়। গতিকে তোমালোকৰ দৃষ্টি এনেকুৱা সতোগুণী হওঁক যাতে যিকোনো তমোগুণী বা ৰজোগুণী আত্মাৰ দৃষ্টি, বৃত্তি আৰু তেওঁলোকৰ স্থিতি পৰিৱৰ্তন হৈ যায়। যিয়েই তোমালোকৰ সন্মুখত আহে তেওঁলোকে দৃষ্টিৰ দ্বাৰা তিনিও লোকৰ, নিজৰ পূৰা জীৱন কাহিনী গম পাই যাওঁক - এয়াই হৈছে দৃষ্টিৰে ভৰপূৰ কৰি দিয়া। অন্তত যেতিয়া জ্ঞানৰ সেৱা নহ'ব তেতিয়া এইটো সেৱা চলিব।

শ্লোগান: পৱিত্ৰতাৰ বাস্তৱিক স্বৰূপ হৈছে সত্যতা আৰু দিব্যতা।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: মহান হ’বলৈ মধুৰতা আৰু নম্ৰতাৰ গুণ ধাৰণ কৰা

মধুৰতা আৰু নম্ৰতাৰ গুণে নতশিৰ (বিনম্ৰ) হ’বলৈ শিকায়। যিমান এতিয়া তোমালোক সংস্কাৰ আৰু সংকল্পত নতশিৰ হ’বা, সিমানে বিশ্ব তোমালোকৰ আগত নতশিৰ হ’ব। নতশিৰ হোৱা অৰ্থাৎ নতশিৰ কৰা। সংস্কাৰৰ ক্ষেত্ৰতো নতশিৰ হোৱা। সংকল্পতো এইটো আহিব নালাগে যে অন্য মোৰ আগতো অলপ নতশিৰ হওক! মই নতশিৰ হ’লে সকলো নতশিৰ হ’ব। যিসকল প্ৰকৃত সেৱাধাৰী, তেওঁলোক যেতিয়া সকলোৰে আগত নতশিৰ হ’ব তেতিয়া সেৱা কৰিব পাৰিব।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]